মিচিংমিজ বা মিচিং-অসমীয়াঃ

বৃহত্তৰ অসমীয়া জাতিগঠন প্রক্রিয়াত মিচিং জনগোষ্ঠীৰ অৱদান অনস্বীকার্য্য। মিচিংসকলৰ নিজা ভাষা আছে যদিও ইয়াৰে কিছু সংখ্যকে মহাপুৰুষীয় ধর্মীয় আদর্শত আন্তৰিকতাৰে বান্ধ খাই অসমীয়া ভাষাকে মাতৃভাষা হিচাপে জ্ঞান কৰি নিজ ভাষা সমূলি পাহৰি পেলালে। তেনে ফৈদৰ ভিতৰত বিবিয়া, বেবেজীয়া, বংকোৱাল, চামগুৰীয়া, তামাৰসকল অন্যতম। অন্যহাতে কিছুসংখ্যক মিচিঙে আকৌ ঘৰুৱা তথা সংস্কৃতিগত বিভিন্ন উৎসবৱ-পার্বনত মিচিং ভাষা ব্যৱহাৰ কৰি অন্য ৰাজহুৱা ঠাইত অসমীয়া ভাষাটোক দ্বিতীয় মাতৃভাষা ৰূপে গ্রহণ কৰি দৈনন্দিন জীৱনৰ কাম চলাই আহিছে। সংস্কৃতিগত এনে প্রভাৱে তেওঁলোকৰ মুখত অসমীয়া ভাষাটোৱে

উপভাষাৰ এক সুকীয়া ৰূপ পৰিগ্রহণ কৰিছে। ভাষাটোৰ উচ্চাৰণ ৰীতি, শব্দসম্ভাৰ, ৰূপতত্ব আদিৰ সকলো দিশতে এক স্বতন্ত্রতা পৰিদৃষ্ট হয়। মিচিংসকলৰ এনে নৃগোষ্ঠীয় অসমীয়া উপভাষাত পৰিস্ফুট হোৱা ভাষিক বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল-

(১) ধ্বনিতাত্ত্বিক বৈশিষ্ট্যঃ

(ক) মান্য অসমীয়া ভাষাৰ আঠোটা বিশিষ্ট স্বৰধ্বনিৰ ঠাইত মিচিংমিজত অ, আ, ই, উ আৰু এ এই পাঁচোটা ধ্বনিৰহে বহুল প্রয়োগ লক্ষ্য কৰা যায়। বাকী স্বৰধ্বনি বিলাক (অ', এ', ও) নিকটস্থানীয় স্বৰধ্বনিলৈ ৰূপান্তৰিত হয়।

(খ) মিচিংমিজত অঘোষ মহাপ্রাণ ধ্বনিৰ উচ্চাৰণ নাই। ফলস্বৰূপে ফ, ভ, খ, ঘ. থ, ধ আদি মহাপ্রাণ ধ্বনি- সমূহ সমবর্গীয় অল্পপ্রাণ ধ্বনিলৈ ৰূপান্তৰিত হয়। যেনে- চাংঘৰ > চাংগৰ, ইফাল> ইপাল, ভোমোৰা বুমুৰাং, খা> কা, পিঠা > পিতাং ইত্যাদি।

(গ) মিচিংমিজত মান্য অসমীয়াৰ দৰে দন্তমূলীয় অঘোষ-অল্পপ্রাণ ধ্বনিৰ 'চ' (ts) আৰু দন্তমূলীয় সঘোষ মহাপ্রাণ ধ্বনি 'ঝ'ৰ উচ্চাৰিত নহয়। সেইদৰে অন্ত্যস্থানত 'জ' (dz) -ৰ ব্যৱহাৰ নাই। এনে পৰিৱেশত জ> ছলৈ পৰিবর্তন ঘটে। যেনে-বেজ > বেছ, কাজ > কাছ ইত্যাদি।

(ঘ) মান্য অসমীয়াৰ দৰে মিচিংমিজতো অনুনাসিক্যই বিশিষ্ট ধ্বনি হিচাবে স্বীকৃত হৈছে। অৱশ্যে ই প্রায়ে নাসিক্য 'ঞ' বা 'ঙ' ধ্বনিলৈ পৰিৱর্তিত হয়। যেনে-হাঁহ > আঞ, যাওঁ > যাং, কওঁ কং ইত্যাদি।

(২) ৰূপতাত্ত্বিক বৈশিষ্ট্যঃ

(ক) সর্বনামৰ মান্য-তুচ্চৰ ভেদা-ভেদ হীনতা মিচিংমিজৰ অন্যতম বৈশিষ্ট্য। সৰু-ডাঙৰ সকলোকে একবচনত তুই (তই) আৰু বহুবচনত তঅতি (তহঁতি) সর্বনাম বৱহাৰ কৰে। যেনে- আপুনি ক'ৰ পৰা আহিলে > তুই ক'ৰ পৰা আয়িলি।

(খ) মিচিংমিজত কেতবোৰ সুকীয়া নির্দিষ্টতাবাচক প্রত্যয়ৰ ব্যৱহাৰ আছে। যেনে-ছব বা ইহোপা (সকলো বিলাক বা এইসোপা), বাতো (বাঁহডাল), মঙতুকুৰ (মঙহডোখৰ বা মঙহ টুকুৰা) ইত্যাদি।

(গ) মিচিংমিজত কৈ > কে, লৈ লে, ওঁতে উংতে আদি পৰসর্গৰ ব্যৱহাৰ আছে। যেনে- কাবলে (খাবলৈ), কাঅতে (খাওঁতে), উংতে (শোওঁতে) ইত্যাদি।

(ঘ) মিচিংমিজত ক্রিয়া বিভক্তি উচ্চাৰণৰ ক্ষেত্রত মান্য অসমীয়াতকৈ যথেষ্ট তাৰতম্য আছে। প্রথম পুৰুষত '-ওঁ'-ৰ সলনি '-অং', '-উং' আদি ক্রিয়াবিভক্তি প্রয়োগ হয়। যেনে-মুই যাং (মই যাওঁ), মই তাকুং (মই থাকো), আমি খালুং (আমি খালো), আমি কৰিলুং (আমি কৰিলোঁ) ইত্যাদি।

(৩) শব্দগত বৈশিষ্ট্যঃ

(ক) মিচিংমিজত প্রচলিত মিচিং মূলীয় শব্দঃ

(১) সম্বন্ধবাচক শব্দঃ মা, আবু বাঃবু (দেউতা), আত/ তাঃত (ককাদেউতা), আয়/ য়াঃয় (আইতা), আকৃঃ কাঃকৃ (পেহা/ মোমাই। শহব), আঞি। এরঃঞি (পেহী/ মামী,/ শাহু), মাঃম (নবৌ), মাগ্র (ভিনিহি), রিগ (খুলশালী) ইত্যাদি।

(২) আ-অলংকাৰ, সাজপাৰ সম্বন্ধীয় শব্দঃ এগে (মেখেলা), ৰি:বি গাচীং (মেখেলা-চাদৰ), চেঙ্গুং (ৰিহা), মিবু গালুগ (বুকুচোলা), দগ্নৌ (মণি), তাৎপর্ (কুণ্ডল), দকচিৰিঃ কেনতু (কেক), কংগে (খাৰু) আদি।

(৩) খাদ্য সম্বন্ধীয় শব্দঃ আপং, (মদ), ইয়ুব (খৰিছা), পুৰাং ইত্যাদি।

(৪) অন্যান্য শব্দঃ মাগ্ (মিতদা), কাতক (কটাৰী), য়কতুং (দা), কুয়াব (কোৰ), অগৃং (কুঠাব), পৰাগ (নৰছিগা বিহু), আইনিঃতম, আলি আই লুগাং, পেম্পা (পেপা), গুংগাং (গগণা), দুমদুম (ঢোল), কুৰুলি (বাঁহী), বাৰেগাম (গাঁওবুঢ়া), দঃঞি-পল (চন্দ্র-সূর্য দেবতা)।

(খ) মিচিংমিজত প্রচলিত উমৈহতীয়া শব্দঃ

আই, ককাই, ছেলেং (চেলেং), জাম্পাই (জাংফাই), দুগ্‌গ্‌দুকিঃ (দূদুর্গী), খলিঅনা (খলিহনা), জেউৰা (জেওৰা), তুলুতাং (টোলোঠা), দোপতি (দোৰেপতি), মাকং (মাকো), বিঅ (বিহা), পদুমাৎ (পদিনা), তেন্তেলি (তেতেলী), তেঙেচি (টেঙেচি), তিয়ং (তিয়হ), লপা (লফা), তিকনি (টিকনি), জঅ (জহা), গুয়ে (গুরা, তামোল), এমনাং (আমনা ধান), গৰকাং (গৰকামাৰি) আকল (আখল), উৰুকাং (উৰুকা), জকলা (জখলা), জুলুকি (জুলুকি), জেউৰা (জেওৰা), তুকাৰিঃ (টোকাবি) ইত্যাদি।

(গ) মিচিংমিজত তৎসম, দেশী আৰু বিদেশী শব্দঃ যেনে- বাংচি (বংশী), সৱ (সর্ব), আকাচ (আকাশ), তাকাৰ (তাৰকা ইত্যাদি।

(ঘ) মিচিংমিজৰ বাক্য ৰীতিঃ

মিচিংসকলৰ বাবে অসমীয়া ভাষাটো দ্বিতীয় মাতৃভাষা স্বরূপ। মিচিংমিজৰ বাক্য অতি সৰল আৰু পোনপটীয়া। দীঘল বা জটিল চর্তবাচক বাক্য সাধাৰণতে মিচিংমিজত পোৱা নাযায়। কর্ম আৰু সম্প্রদান কাৰকৰ অভিন্ন প্রয়োগ এই উপভাষাৰ উল্লেখযোগ্য বৈশিষ্ট্য। বাক্যত দ্বিরুক্তি বা পুনৰুক্তি অতি প্রবল।